# ৰামধেনু যুগৰ মহিলা গল্পকাৰ

**প্ৰাপ্তি ঠাকুৰ**
সহযোগী অধ্যাপিকা, সৰুপথাৰ মহাবিদ্যালয়
e-mail : thakurpraptisprc@gmail.com

**সাৰাংশ ঃ**
*'ৰামধেনু'ৰ জন্ম অসমীয়া সাহিত্যৰ বাবে এক উল্লেখযোগ্য ঘটনা। অসমীয়া চুটিগল্পৰ ক্ৰমবিকাশত 'ৰামধেনু' আলোচনীয়ে এক বিশেষ ভূমিকা গ্ৰহণ কৰিলে। অসমীয়া সাহিত্যত সৃষ্টি হ'ল 'ৰামধেনু যুগ'ৰ। 'ৰামধেনু' যুদ্ধোত্তৰ যুগৰ অৱদান। ডেৰ শতাধিক গল্পকাৰৰ সৃজনী প্ৰতিভাৰে জিলিকি উঠা ৰামধেনু যুগৰ অসমীয়া চুটিগল্প বিষয়বস্তু, আংগিক সকলো দিশতে পৰিপক্ক হৈ পৰিল। অসমীয়া মহিলা গল্পকাৰসকলো পিছ পৰি নাথাকিল। সামাজিক দায়িত্ববোধ, বিশ্লেষণ ক্ষমতা, স্বকীয় উদ্ভাৱনী শক্তি আৰু নাৰী মনস্তত্বৰ স্বাভাৱিক জ্ঞানেৰে সমৃদ্ধ হৈ এই গল্পকাৰসকলেও উল্লেখযোগ্য অৱদান আগবঢ়াই থৈ গৈছে। স্নেহ দেৱী, নিৰুপমা বৰগোহাঞি, নীলিমা শৰ্মা, প্ৰবীণা শইকীয়া, অনিমা দত্ত, ৰুণু বৰুৱা, বাসন্তী বৰুৱা, অলিমুন্নিছা পিয়াৰ প্ৰমুখ্যে কিছুসংখ্যক লেখিকাৰ নাম এই প্ৰসংগত উল্লেখযোগ্য। গল্পকাৰ হিচাপে মামণি ৰয়চম গোস্বামীয়েও আত্ম প্ৰকাশ কৰিলে এই ৰামধেনুৰ পাততে। এই গল্পকাৰসকলৰ ভিতৰত মাত্ৰ কেইগৰাকীমানৰ বাহিৰে অন্যসকলৰ গল্প সম্পৰ্কে বিশেষ চৰ্চা পৰিলক্ষিত হোৱা নাই। সেয়েহে আমাৰ এই আলোচনা-পত্ৰত সামগ্ৰিকভাৱে এই গল্পকাৰসকলৰ গল্পৰ বিচাৰ-বিশ্লেষণ আগবঢ়াবলৈ প্ৰয়াস কৰা হ'ব।*
বীজশব্দ ঃ *ৰামধেনু যুগ, চুটিগল্প, মহিলা গল্পকাৰ।*

## ০.০.০ অৱতৰণিকা ঃ

যুগান্তকাৰী আলোচনী 'ৰামধেনু'ৰে অসমীয়া সাহিত্যলৈ আধুনিকতাৰ ধ্বজা বহন কৰি আনিলে। সমগ্ৰ অসমীয়া সাহিত্যতে এই নতুনত্ব বিয়পি পৰিল— চুটিগল্পতে হওক বা কবিতাতে হওক, উপন্যাসতে হওক বা সমালোচনামূলক সাহিত্যতে হওক। পাশ্চাত্য জগতত আলোড়ন সৃষ্টি কৰা বিভিন্ন দৰ্শন, চিন্তা-চৰ্চা বহুল ৰূপত অসমীয়া সাহিত্যলৈ ৰামধেনু যুগে আদৰি আনিলে। এই পশ্চিমীয়া ভাবধাৰা 'আৱাহন'ৰ পাততো প্ৰকাশ পাইছিল যদিও 'ৰামধেনু যুগ'ত ই খোপনি পুতি বহিল। জোনাকী যুগৰপৰা প্ৰচলিত হৈ অহা ৰোমাণ্টিক সাহিত্যৰ সৈতে যুদ্ধোত্তৰ যুগৰ সাহিত্যৰ যথেষ্ট পাৰ্থক্য দেখা গ'ল। আদৰ্শ, দৃষ্টিভংগী আৰু প্ৰকাশ-কৌশলৰ ক্ষেত্ৰত এই পাৰ্থক্য স্পষ্ট ৰূপত প্ৰতিভাত হ'ল। ৰোমাণ্টিক সাহিত্যৰ অন্যতম বৈশিষ্ট্য কল্পনা-বিলাসিতাৰ ঠাই ল'লে গভীৰ বাস্তৱবাদে। ধৰ্ম আৰু আধ্যাত্মিকতাৰ সম্পৰ্কে থকা গতানুগতিক বিশ্বাসৰ ভেটি থৰক-বৰক হ'ল। জীৱনৰ মূল্যবোধৰ পৰিৱৰ্তন ঘটিল। এক নতুন দৃষ্টিৰে ব্যক্তি আৰু সমাজক প্ৰত্যক্ষ কৰাত এই নতুন যুগৰ লেখকসকল ব্ৰতী হৈ পৰিল।

ৰোমাণ্টিকতাৰ অৱসান ঘটোৱাত প্ৰভূত পৰিমাণে অৰিহণা যোগোৱা মহাযুদ্ধৰ ফলস্বৰূপে সমগ্ৰ দেশৰে ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক অৱস্থাৰ দ্ৰুত পৰিৱৰ্তন ঘটে। তেনেদৰে পৰিৱৰ্তিত হ'ল সাধাৰণ মানুহৰ চিন্তা-ভাৱনা আৰু বিশ্বাস। নিত্য নতুন বিজ্ঞানৰ আৱিষ্কাৰে মানুহৰ চকুত চমক লগালে। ধৰ্ম তথা ভগৱানৰ অস্তিত্বৰ প্ৰতি সন্দেহৰ সৃষ্টি হ'ল। এনে দ্ৰুত পৰিৱৰ্তনশীল সমাজৰ বিভিন্ন সমস্যা, ঘটনা, অভিজ্ঞতাৰে পুষ্ট হৈ পৰা ব্যক্তিৰ আশা-আকাংক্ষাৰ বৰ্ণনা কৰিবলৈ এই যুগৰ লেখকসকল আগ্ৰহী হৈ পৰিল। আধুনিক মনোবিজ্ঞানৰ প্ৰভাৱে তেওঁলোকৰ মনত ব্যক্তিৰ বাহ্যিক ৰূপটোতকৈ আভ্যন্তৰীণ ৰূপটোৰ সূক্ষ্ম বিশ্লেষণ কৰিবলৈ তীব্ৰ ইচ্ছাৰ জন্ম দিলে। প্ৰখ্যাত মনস্তত্ববিদ

ফ্ৰয়দৰ দৰ্শনে তেওঁলোকৰ ওপৰত বিশেষভাৱে ক্ৰিয়া কৰিলে। ৰামধেনুৰ যুগত কেইবাগৰাকী মহিলা গল্পকাৰেও নতুন দৃষ্টিভংগী লৈ অসমীয়া গল্পৰ ক্ষেত্ৰখনত আত্মপ্ৰকাশ কৰিলে। পৰিৱৰ্তিত জীৱনচৰ্যাৰ সৈতে খাপ খোৱাই তেওঁলোকেও অভিনৱ বিশ্লেষণেৰে গল্প লিখাৰ প্ৰয়াস অব্যাহত ৰাখিলে। মানুহৰ মানসিক জগতখন, বিশেষকৈ নাৰী মনস্তত্ত্বক গল্পৰ বিষয়বস্তু হিচাপে গ্ৰহণ কৰিবলৈ তেওঁলোক আগবাঢ়ি আহিল।

**০.০.১ অধ্যয়নৰ উদ্দেশ্য ঃ**

ৰামধেনু যুগৰ গল্পসমূহে অসমীয়া সমাজ আৰু সাহিত্য উভয়তে বিশেষভাৱে প্ৰভাৱ পেলাবলৈ সক্ষম হৈছিল। ৰামধেনু যুগৰ গল্পকাৰৰ গল্প সম্পৰ্কে আলোচনা যথেষ্টখিনি হৈছে; কিন্তু সেই অনুপাতে মহিলা গল্পকাৰসকলৰ গল্প সম্পৰ্কীয় চৰ্চা তেনেই কম। কেইগৰাকীমান খ্যাতিসম্পন্ন গল্পকাৰ যেনে ঃ স্নেহ দেৱী, মামণি ৰয়চম গোস্বামী বা নিৰুপমা বৰগোহাঞিৰ বাহিৰে অন্যান্য গল্পকাৰসকল, যিসকলে নিজৰ সৃষ্টিৰাজিৰ ৰামধেনুৰ জৰিয়তে সামগ্ৰিকভাৱে অসমীয়া গল্পসাহিত্যলৈ বিশেষ অৱদান আগবঢ়াইছিল— তেওঁলোকৰ গল্প সম্পৰ্কীয় গৱেষণা আলোচনা হোৱাই নাই বুলিয়েই ক'ব পাৰি। নীলিমা শৰ্মা, প্ৰবীণা শইকীয়া, অণিমা দত্তৰ গল্পৰ বিষয়ে ছেগা-চোৰোকাকৈ আলোচনা কৰা হৈছে যদিও 'ৰামধেনু'ৰ পাতত ভালেসংখ্যক উচ্চ পৰ্যায়ৰ গল্প লিখা ভালেকেইগৰাকী গল্পকাৰ আলোচক-গৱেষক, আলোচনীৰ সম্পাদকৰ দৃষ্টিৰ অগোচৰে ৰৈ গ'ল। তেওঁলোক হ'ল ৰুণু বৰুৱা, বাসন্তী বৰুৱা, আলিমুন্নিছা পিয়াৰ। আমাৰ এই আলোচনা-পত্ৰত নীলিমা শৰ্মা, প্ৰবীণা শইকীয়াকে মুখ্য কৰি এইসকল গল্পকাৰৰ গল্পৰ বিষয়ে বিচাৰ-বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**০.০.২ অধ্যয়নৰ পৰিসৰ আৰু পদ্ধতি ঃ**

ৰামধেনুৰ যুগৰ মহিলা গল্পকাৰ— এই বিষয়টো বিস্তৃত আৰু গভীৰ। এই সম্পৰ্কে আলোচনাৰ থল আছে, গৱেষণাৰ বাবে পৰ্যাপ্ত সমল আছে; কিন্তু এখন ক্ষুদ্ৰ পৰিসৰৰ আলোচনা-পত্ৰত ইয়াৰ সামগ্ৰিক আলোচনা সম্ভৱপৰ নহয়। সেয়েহে এই আলোচনা-পত্ৰত মূলতঃ 'ৰামধেনু' আলোচনীত প্ৰকাশিত গল্পবোৰক সামৰিবৰ চেষ্টা কৰা হৈছে। এই আলোচনাপত্ৰৰ ৰচনাশৈলীত বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতি প্ৰয়োগ কৰা হৈছে।

অসমীয়া লেখিকাসকলো গল্প-সাহিত্যৰ এই গৌৰৱোজ্জ্বল অধ্যায়ৰ অংশীদাৰ নোহোৱাকৈ নাথাকিল। পঞ্চম বছৰৰ সপ্তম সংখ্যা (১৯৫২)ৰ 'ৰামধেনু'ত প্ৰকাশিত হৈছিল কমলিনী বৰবৰাৰ 'টিনপাত' গল্পটো। সেই বছৰেই বীণা দেৱী, নীলিমা দেৱী, প্ৰীতি ভট্টাচাৰ্যৰ গল্পও ৰামধেনুত প্ৰকাশ হয়। ষষ্ঠ বছৰৰ 'ৰামধেনু'ত স্নেহ দেৱীৰ গল্প 'জোৱাৰৰ পিছত' প্ৰকাশিত হৈছিল। 'অসময়ৰ অভিমান' নামেৰে নিৰ্মলপ্ৰভা বৰদলৈৰো এটা গল্প আছে 'ৰামধেনু' (সপ্তম বছৰ, চতুৰ্থ সংখ্যা, ১৯৫৫)ত। নিৰুপমা বৰগোহাঞিয়ে 'নীলিমা দেৱী' ছদ্মনাম লৈও ৰামধেনুত গল্প লিখিছিল। বিয়াৰ আগলৈকে তেওঁ আছিল নিৰুপমা তামুলী। ছদ্মা দেৱী, দীপালী বৰা, হিৰণ্যময়ী দেৱী, নীলিমা বৰকাকতী আৰু ৰেণু দেৱী নামত এটিকৈ গল্প পোৱা যায়। কমলিনী বৰবৰাই তিনিটা গল্প লিখিছিল 'ৰামধেনু'ৰ পাতত। তেঁৱেই আছিল 'ৰামধেনু'ৰ প্ৰথমগৰাকী মহিলা গল্পকাৰ। এই গল্পকাৰসকলৰ ভিতৰত ৰামধেনু যুগত বিশেষ খ্যাতি লাভ কৰিবলৈ সমৰ্থ হোৱা গল্পকাৰকেইগৰাকী স্নেহ দেৱী, নিৰুপমা বৰগোহাঞি আৰু মামণি ৰয়চম গোস্বামী। মামণি ৰয়চম গোস্বামীৰ মাত্ৰ এটা গল্প 'বীজাণু' 'ৰামধেনু' আলোচনীত প্ৰকাশ হৈছিল। এইকেইগৰাকীৰ উপৰি আন কেইবাগৰাকী গল্পকাৰৰ গল্প আছিল উচ্চমানবিশিষ্ট। তেওঁলোকৰ গল্পৰ বিষয়েও এই আলোচনা-পত্ৰত বিশ্লেষণ কৰা হৈছে। প্ৰবীণা শইকীয়া, অণিমা দত্ত, বাসন্তী বৰুৱা, ৰুণু দেৱী আৰু অলিমুন্নিছা পিয়াৰৰ গল্পৰ আলোচনা ইয়াত দাঙি ধৰা হৈছে। এই আলোচনা-পত্ৰত সন্নিৱিষ্ট গল্পসমূহ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰদ্বাৰা সম্পাদিত (১৯৫২ খ্ৰীষ্টাব্দৰ মে' মাহৰপৰা ১৯৬৩ খ্ৰীষ্টাব্দৰ মে' মাহলৈকে প্ৰকাশিত) *ৰামধেনু*ৰপৰা অনা হৈছে।

**১.০.০ বিষয়ৰ পৰিচয় ঃ**

১৯৯২ চনত শতবৰ্ষ সম্পূৰ্ণ কৰা অসমীয়া চুটিগল্পৰ ইতিহাসে অসমীয়া সাহিত্যৰ বুৰঞ্জীত এক চমকপ্ৰদ অধ্যায় ৰচনা কৰিছে। শতাব্দী অতিক্ৰম কৰা অসমীয়া চুটিগল্পৰ ক্ৰমবিকাশৰ স্তৰসমূহ স্বকীয় বৈশিষ্ট্য আৰু অভিনৱত্বৰে সমুজ্জ্বল। এই সুদীৰ্ঘ যাত্ৰাপথত ভিন্ন যুগৰ ভিন্ন লেখকে সেই এছোৱা বিশেষ সময়ক নিজৰ অনুভৱ, অভিজ্ঞতাৰে বৰ্ণিল কৰি তুলিছে।

'ৰামধেনু যুগ' অসমীয়া গল্প সাহিত্যৰ স্বৰ্ণময় যুগ। শতাধিক গল্পকাৰৰ অপূৰ্ব সৃজনী প্ৰতিভাৰে জিলিকি উঠা এই

সময়ছোৱাৰ অসমীয়া চুটিগল্পই বিশ্বসাহিত্যৰ যিকোনো ভাষাৰ চুটিগল্পৰ সৈতে প্ৰতিদ্বন্দ্বিতা কৰিব পৰাকৈ ঐশ্বৰ্যশালী হৈ পৰিল। মহিলা গল্পকাৰসকলো পিছ পৰি নাথাকিল এই যাত্ৰাত। সামাজিক দায়িত্ববোধ, গভীৰ বিশ্লেষণ ক্ষমতা, স্বকীয় উদ্ভাৱনী শক্তি, নাৰী মনস্তত্ত্বৰ স্বাভাৱিক জ্ঞানেৰে সমৃদ্ধ হৈ তেওঁলোকেও অবিস্মৰণীয় অৱদান আগবঢ়াই গৈছে।

**স্নেহ দেৱীৰ গল্প ঃ**

ভাবিলে আচৰিত নহৈ নোৱাৰি যে স্নেহ দেৱীয়ে কোনো ধৰণৰ আনুষ্ঠানিক উচ্চ শিক্ষা গ্ৰহণ নকৰাকৈ, ঘৰুৱা জীৱনৰ চাৰিসীমাৰ গতানুগতিক পৰিৱেশৰ মাজতে সৃষ্টি কৰিবলৈ সক্ষম হৈছিল সৰ্বসাধাৰণ মানুহৰ মনৰ অসাধাৰণ বিশ্লেষণৰ গল্পৰূপ। এই বিশ্লেষণত আছিল এগৰাকী সুদক্ষ মনস্তত্ত্ববিদৰ নৈপুণ্য আৰু এক সাৰ্বজনীন আবেদন।

'পাতমুগী' গল্পৰ জৰিয়তে জোনাকী যুগতে মানুহৰ অৱচেতন মনৰ ভিতৰুৱা সম্ভেদ আৱিষ্কাৰ কৰাৰ যি প্ৰচেষ্টা লক্ষ্মীনাথ বেজবৰুৱাই আৰম্ভ কৰি থৈ গৈছিল, সেই প্ৰচেষ্টাক এটা সুকীয়া সাৰ্থক ৰূপ স্নেহ দেৱীয়ে 'ৰামধেনু যুগ'ত তেওঁৰ গল্পবোৰৰ জৰিয়তে প্ৰদান কৰিলে। ব্যক্তিগতভাৱে তেখেত আকৃষ্ট হৈছিল 'আৱাহন যুগ'ৰ গল্পকাৰ হলিৰাম ডেকাৰ প্ৰতি আৰু এই আগ্ৰহেই স্নেহ দেৱীক গল্প লিখিবলৈ উৎসাহী কৰি তুলিছিল। তদুপৰি বাংলা সাহিত্যৰ আদৰ্শও তেখেতৰ সন্মুখত আছিল।

"মোৰ গল্পত যিবিলাক নাৰী চৰিত্ৰৰ কথা লেখোঁ তেওঁবিলাক মোৰ চিনাকি চৰিত্ৰ। মই সততে তেওঁলোকক লগ পাইছিলোঁ। তেওঁবিলাকক মই বুজিছিলোঁ আৰু তেওঁবিলাকেও নিজৰ সুখ-দুখৰ কথা অকপটে মোক জনাইছিল। তেওঁবিলাক প্ৰধানকৈ গাঁৱৰ তিৰোতা নাইবা গাঁৱৰ ওচৰৰ সৰু চহৰৰ মধ্যবিত্ত বা নিম্নবিত্তৰ ঘৰৰ।"[১]

একেষাৰেই ক'ব পাৰি স্নেহ দেৱীৰ গল্প নাৰীকেন্দ্ৰিক। আমাৰ পৰিচিত দৈনন্দিন জীৱনত লগ পাই থকা সাধাৰণ নাৰী চৰিত্ৰবোৰক লৈয়েই এইগৰাকী গল্পকাৰৰ গল্পবোৰ আৱৰ্তিত হৈছে। গল্পবোৰ পঢ়ি উঠাৰ পিছতহে পাঠকে উপলব্ধি কৰে যে অতি চিনাকি এই চৰিত্ৰবোৰৰো একো একোটা অচিনাকি কাহিনী আছে। এই প্ৰসংগত মন কৰিবলগীয়া যে মনৰ ভিতৰুৱা খবৰ দাঙি ধৰোঁতে স্নেহ দেৱীয়ে ক'তো বৰ্ণনাৰ আতিশয্য কৰা নাই; সুস্থ সামাজিক বাতাবৰণত বিশৃংখলতাৰ সৃষ্টি কৰিব পৰা অবাধ্য, তীব্ৰ আকাংক্ষা বা কাৰ্যকলাপৰপৰাও তেওঁৰ গল্পৰ চৰিত্ৰবোৰ আঁৰত থাকে। মাৰ্জিত আৰু পৰিশীলিত বাক্যৰীতিৰ মাজেৰে জীৱনত এক স্বাভাৱিক মাত্ৰা প্ৰদান কৰিবলৈ গল্পকাৰ সক্ষম হৈছে। স্ত্ৰী-পুৰুষৰ পৰস্পৰৰ প্ৰতি থকা আকৰ্ষণ, প্ৰেম-মৰম-ভালপোৱাৰ সম্ভেদ তেওঁৰ গল্পবোৰত আছে; কিন্তু সেইবুলি এই চৰিত্ৰবোৰ জৈৱিক কামনাৰ প্ৰতিভূ হৈ পৰা নাই। বিভিন্ন নাৰী চৰিত্ৰৰ বিচিত্ৰ নাৰী হৃদয়ৰ চিত্ৰ অংকন কৰাত স্নেহ দেৱী সিদ্ধহস্ত। চিনাকি পৰিৱেশ, চৰিত্ৰবোৰেৰেই তেওঁ গল্প লিখিছে। স্নেহ দেৱীৰ অভিজ্ঞতা বহুধা-বিস্তৃত নহয়।

'ৰামধেনু' আলোচনীত গল্পকাৰ হিচাপে আত্মপ্ৰকাশ কৰা স্নেহ দেৱীৰ চিন্তা-চৰ্চা, ধ্যান-ধাৰণা প্ৰাক্ ৰামধেনু কালতেই পূৰঠ হৈছিল। তেখেতৰ গল্পবোৰত নাৰী স্বাধীনতাৰ বাণী ঘোষিত হৈছে যদিও সমাজৰ সনাতন প্ৰাচীন মূল্যবোধ, সংস্কাৰধৰ্মিতাক সম্পূৰ্ণৰূপে আওকাণ কৰিব পৰা নাই। নাৰী মুক্তি তেখেতে বিচাৰে যদিও তাত উগ্ৰ নাৰীবাদী চিন্তা, উচ্ছৃংখলতাৰ অৱকাশ নাই। মাৰ্জিত ৰুচিৰ এখন সুন্দৰ সমাজ গঢ়িবৰ বাবে প্ৰয়োজনীয় সু-সংগত পৰিৱেশ সৃষ্টি কৰাৰ আগ্ৰহ স্নেহ দেৱীৰ আছে।

'ৰামধেনু'ত প্ৰকাশিত 'সূচনা' স্নেহ দেৱীৰ এটি সাৰ্থক আৰু জনপ্ৰিয় গল্প। 'ৰামধেনু'ৰে পতা তেতিয়াৰ গল্প প্ৰতিযোগিতাত এইটো গল্প পুৰস্কৃত হৈছিল। এক জটিল মানসিক সংঘাতৰ বাখ্যা কৰিবলৈ গল্পকাৰে ইয়াত চেষ্টা কৰিছে। নাৰী চৰিত্ৰৰ বিশ্লেষণ স্নেহ দেৱীৰ ভালেমান গল্পৰ বিষয়বস্তু। নাৰী হৃদয়ক সততে আলোড়িত কৰা প্ৰেম-ঈৰ্ষা-বিদ্বেষৰ বাস্তৱ চিত্ৰ আঁকিবলৈ লেখিকাই মনস্তাত্ত্বিক বিশ্লেষণৰ আশ্ৰয় লৈছে। 'সূচনা' গল্পটোৱে নাৰীৰ মনৰ ৰহস্যময়তাৰ এখন গোপন দ্বাৰ মুকলি কৰিছে। পাঁচোটা সন্তানৰ মাতৃ সূচনাৰ মনৰ ওপৰত পৰা এটা সপোনৰ প্ৰভাৱৰ স্বীকাৰোক্তিয়েই গল্পটোৰ বিষয়বস্তু।

নাৰীৰ মনৰ আন এখন জগতৰ সম্ভেদ দিছে তেওঁৰ 'প্ৰেৰণাৰ সমাধি' গল্পটোৰ মাজেৰে। এই গল্পটোৰ 'সুমিত্ৰা' এটা সাৰ্থক চৰিত্ৰ। সুমিত্ৰাৰ মনোজগতখনৰ চিত্ৰ অংকনত লেখিকা সফল হৈছে। গল্পটোৰ আৰম্ভণিতে সৃষ্টি হোৱা অনুসন্ধিৎসা শেষলৈকে অব্যাহত আছে। এই মাথোন কেন্দ্ৰীয়ভাৱে ক্ৰিয়া কৰা গল্পটোৰ মূল চৰিত্ৰ এটাই— সুমিত্ৰা। কাব্যিক, কোমল

অনুভূতিপূৰ্ণ আৱেগ সঞ্চাৰী ভাষাৰ সু-সমন্বয়ে গল্পটি সুখপাঠ্য কৰি তুলিছে। স্নেহ দেৱীৰ এটি উল্লেখযোগ্য গল্প হৈছে 'বৰমা'। বৰমাৰূপী নাৰীগৰাকীৰ চৰিত্ৰ চিত্ৰণ, গল্পটোৰ কাহিনী ৰূপায়ণৰ লগতে বৰমাৰ মানসিক সংঘাত সৃষ্টি কৰাত গল্পকাৰ সফল হৈছে।

এখন সুখী-সমৃদ্ধিশালী ঘৰৰ গৃহিণী মৃণালিনীয়ে নিজৰ স্বামী আৰু পুত্ৰ-কন্যাৰ সৈতে শান্তিৰে দিন অতিবাহিত কৰি আহি জীৱনৰ শেষ বয়সত গম পালে যে তেওঁৰ স্বামীয়ে তেওঁলোকৰ পামত অন্য এগৰাকীক পত্নীৰ স্বীকৃতি দি ৰাখিছে। এই দ্বিতীয় পত্নীগৰাকী আছিল এসময়ত তেওঁলোকৰ ঘৰতে কাম কৰি পেট প্ৰৱৰ্তোৱা ছোৱালী হৰিমতী। বহু বছৰৰ আগতেই মৃণালিনীয়ে তেওঁৰ স্বামীৰ সৈতে হৰিমতীৰ সম্পৰ্কৰ বিষয়ে গম পাইছিল যদিও স্বামীৰ ভুৱা আশ্বাসত তেওঁ আশ্বস্ত হৈছিল। বহু দিনৰ মূৰত আকৌ এবাৰ হৰিমতীৰ প্ৰসংগই তেওঁৰ জীৱনৰ সকলো সুখ-শান্তি কাঢ়ি নিলে। তেওঁ মানসিকভাৱে ক্ৰমে অসুস্থ হৈ পৰিল। মানুহৰ ভুল-ভ্ৰান্তি কেতিয়াবা অজানিতে হয়েই বুলি বহুবাৰ নিজৰ মনক প্ৰবোধ দিয়ো মৃণালিনীয়ে দ্বিতীয়বাৰ তেওঁৰ স্বামীক ক্ষমা কৰিব নোৱাৰিলে। মানসিক অশান্তিত ভুগি অৱশেষত তেওঁৰ মগজুৰ বিকৃতি ঘটিল। 'বৰমা'ৰূপী মৃণালিনীৰ অন্তৰ্দ্বন্দ্বৰ স্বৰূপ লেখিকাই অতি প্ৰত্যয়জনক ৰূপত দাঙি ধৰিবলৈ সক্ষম হৈছে। 'বন্ধু তুমি মোৰ, তুমি শত্ৰু' গল্পটোৰ বিষয়বস্তু 'আৱাহন যুগ'ৰ সমধৰ্মী। ইয়াত লেখিকাই বিধৱা বিবাহৰ সমৰ্থনত কাহিনীভাগ গঢ়ি তুলিছে।

পুৰুষৰ চলনা, প্ৰতাৰণাৰ কাহিনীৰে স্নেহ দেৱীৰ কেইবাটাও গল্প মুখৰিত। দুৰ্ভগীয়া স্বামী পৰিত্যক্তা নাৰীৰ জীৱনৰ কাৰুণ্যৰে পৰিপূৰ্ণ গল্প যিদৰে আছে সেইদৰে স্বামী বা প্ৰেমিকৰদ্বাৰা প্ৰতাৰিত হোৱাৰ পিছতো জীৱনযুঁজত অকলশৰেই দৃঢ়ভাৱেই থিয় হ'ব পৰা সাহসী নাৰীৰ কাহিনীও স্নেহ দেৱীৰ গল্পত আছে। 'কৰুণ উলাহ' গল্পৰ সৰযু তেনে এগৰাকী সাহসী নাৰী। 'জোৱাৰৰ পিছত' গল্পৰ নায়িকা বিশালাক্ষীয়েও স্বামীয়ে পৰিত্যাগ কৰাৰ পিছত অভিনেত্ৰী হিচাপে জীৱন অতিবাহিত কৰিছে। 'পৰিপূৰক' গল্পত সন্তান সুমিত্ৰাৰ মনোকষ্টৰ ইংগিতধৰ্মী বৰ্ণনা আছে। সেইদৰে 'জননী' পুত্ৰৰদ্বাৰা অনাদৃত মাতৃৰ মৰ্মব্যথাৰ স্বৰূপ গল্পকাৰে প্ৰত্যয়জনকভাৱে ফুটাই তুলিছে। 'নীৰৱ সিদ্ধান্ত' গল্পত সম্পৰ্কীয় দেওৰেকৰ হাতত লাঞ্ছিতা হোৱা বিধৱা মালতীক আশ্ৰয় দিছে লেডী ডাক্তৰ কুমাৰী আশালতাই। নতুন দিনৰ পোহৰেৰে জ্যোতিষ্মান চৰিত্ৰ ড° আশালতাৰ সবল অস্তিত্ব স্নেহ দেৱীৰ কেইবাটাও গল্পত পোৱা যায়।

বিচিত্ৰ নাৰী মানসিকতাৰ সাৰ্থক প্ৰতিফলন ঘটিছে স্নেহ দেৱীৰ গল্পসমূহত। 'বিষক্ৰিয়া' গল্পটোও তাৰ ব্যতিক্ৰম নহয়। এই গল্পটোত প্ৰকাশ পোৱা ইংগিতধৰ্মিতা অসমীয়া গল্পৰ পাঠকৰ বাবে এক নতুন স্বাদ। সাম্প্ৰতিক সাহিত্যৰ চৰ্চিত বিষয় তৃতীয় লিংগ, সমকামী ধ্যান-ধাৰণাৰে সম্পৃক্ত এই গল্পটো স্নেহ দেৱীয়ে 'ৰামধেনু যুগ'তেই লিখিছিল। সাধাৰণ দৃষ্টিত এজনী মৰমিয়াল, সাদৰী বিবাহিতা মহিলাৰ অশুভ প্ৰভাৱে কিদৰে অন্য এজনী গাভৰু ছোৱালীৰ জীৱনলৈ দুৰ্যোগ নমাই আনিছে তাৰেই ইংগিত আছে 'বিষক্ৰিয়া' গল্পটোত।

এইদৰেই স্নেহ দেৱীয়ে তেখেতৰ গল্পবোৰৰ মাজেৰে বিভিন্ন বয়সৰ বিচিত্ৰ নাৰী মানসিকতাৰ সাৰ্থক আৰু প্ৰত্যয়জনক চিত্ৰণ কৰিছে। কেতিয়াবা সেই চৰিত্ৰ ৰূপায়ণ কৰিছে পোন্ধৰ বছৰীয়া কিশোৰীয়ে মাকৰ অধঃপতন দেখি চিন্তিত হয়, ক্ৰমান্বয়ে অকলশৰীয়া হৈ পৰা পিতৃৰ দুখৰ বোজা পাতলাবলৈ যত্ন কৰে আৰু শেষত লোক লজ্জাৰপৰা হাত সাৰিবলৈ সেইগৰাকী নিজৰ জন্মদাত্ৰী মাতৃক মাহীমাক বুলিহে চিনাকি দিবলৈ আৰম্ভ কৰে। আকৌ সুদৃশ্য ঘৰ, সুন্দৰ চেহেৰাৰ মানুহবোৰেই বৰ সুখী, ভাল বুলি ভাবি থকা প্ৰভাৰাণীৰ মোহভংগ হ'বলৈ বেছি সময় নালাগে। তাইৰ উপলব্ধি হয় যে চিক্‌চিকীয়া বস্তু মাত্ৰেই সোণ নহয়। সেইদৰে স্বামীৰ হাতৰপৰাই নিজৰ মান-সন্মান বচাবলৈ দূৰ সম্পৰ্কীয় দেওৰেকৰ লগত পলাই আহি নিঃস্ব ৰিক্ত জীৱন কটোৱা ফুলিবাইৰ কাহিনীৰ কাৰুণ্যয়ো পাঠকৰ অন্তৰ স্পৰ্শ কৰি যায়। আকৌ কেইবাটাও গল্পৰ নায়িকাৰ চৰিত্ৰ ৰূপায়ণ কৰিছে দুশ্চৰিত্ৰ ভিনিহিয়েকৰ কৰাল গ্ৰাসত পৰি উদ্ধাৰৰ বাট বিচৰা খুলশালী একোজনীয়ে। এই চৰিত্ৰবোৰ কেতিয়াবা পৰিস্থিতিক নিজৰ বশলৈ, নিয়ন্ত্ৰণলৈ আনিবলৈ সক্ষম হৈছে আৰু কেতিয়াবা নিজেই পৰিৱেশৰ দাসত্ব স্বীকাৰ কৰি লৈছে।

**নিৰুপমা বৰগোহাঞি ঃ**

'ৰামধেনু যুগ'তে জনপ্ৰিয় হৈ পৰা গল্পকাৰ নিৰুপমা বৰগোহাঞিয়ে মধ্যবিত্ত নাৰীৰ মৰ্মবেদনাক তেওঁৰ গল্পত সঠিক ৰূপত উপস্থাপন কৰিছে। এনে বিষয়বস্তুৰে গঢ় লৈ উঠা কেইটামান গল্প ৰামধেনুত প্ৰকাশিত হৈছে। তেওঁৰ গল্পত

নাৰী মনৰ স্পষ্ট আৰু মুক্ত প্ৰকাশৰ প্ৰচেষ্টা দেখিবলৈ পোৱা যায়। অৱশ্যে কেৱল নাৰীকেন্দ্ৰিক গল্পৰ উপৰি এইগৰাকী লেখিকাৰ গল্পত সমাজৰ মধ্যবিত্ত শ্ৰেণীটোৰ বিভিন্ন প্ৰকাৰৰ মানুহৰ জীৱন যাত্ৰা তথা চাৰিত্ৰিক বিশিষ্টতাও বাস্তৱ ৰূপত চিত্ৰিত হৈছে। “তদুপৰি জীৱনৰ কিছুমান সাধাৰণ ঘটনাৰ মাজতে বিশিষ্টতা বিচৰাৰ প্ৰয়াস নিৰুপমা বৰগোহাঞিৰ কেইটামান গল্পত চকু পৰে”।[২]

নিৰুপমা বৰগোহাঞিৰ গল্পত লেখিকাৰ বক্তব্য স্পষ্ট ৰূপত প্ৰকাশ পোৱাটো পৰিলক্ষিত হয়। তেওঁৰ গল্পত সচৰাচৰ আদৰ্শকেন্দ্ৰিক বক্তব্য ইমানেই স্পষ্ট হৈ উঠে যে কেতিয়াবা গল্পই তাৰ শিল্পসৌন্দৰ্য হেৰুৱাই পেলায় আৰু বক্তব্য প্ৰচাৰধৰ্মী হৈ পৰে। কিছুসংখ্যক গল্পৰ ক্ষেত্ৰত বৰ্ণনাৰ বাহুল্যও পৰিলক্ষিত হয়। ইংৰাজী কবি আৰু কবিতাৰ পংক্তিৰ উল্লেখ ভালেমান গল্পত আছে, তেনেকৈয়ে আছে ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতাৰ টুকুৰাৰ উল্লেখ।

আধুনিক নাৰীৰ মানসিকতাৰ দ্বন্দ্ব নিৰুপমা বৰগোহাঞিৰে উদ্‌ঘাটন কৰিছে। ‘অপমৃত্যু’ গল্পটোৰ জৰিয়তে। ইয়াত লেখিকাই নিৰ্মালী নামৰ এটি নাৰী চৰিত্ৰৰ সৃষ্টি কৰিছে— যিগৰাকী প্ৰতিভাসম্পন্ন হোৱা সত্বেও নিজৰ মতত নিচেই সাধাৰণ মানুহ এজনৰ পত্নী হৈ চৰম হতাশ আৰু ব্যৰ্থতা আৰু অভাৱেৰে পূৰ্ণ সংসাৰ চলাবলৈ বাধ্য হৈছে। সাহিত্য, সমাজনীতি আৰু ৰাজনীতিত দখল থকা নিৰ্মালী হ’বলগীয়া হ’লগৈ এজনী সাধাৰণ গৃহিণী। অভাৱৰ সংসাৰখনত নিৰ্মালীয়ে লাভ কৰিছিল কেৱল এই আশীৰ্বাদ— “God bless the happy pair with a child every year”, কলেজীয়া জীৱনত প্ৰেমৰ সম্পৰ্ক থকা প্ৰকাশক নিৰ্মালীয়ে সময়ত বিবাহৰ জৰিয়তে চিৰদিনৰ বাবে নিজৰ কৰি ল’ব নোৱাৰিলে। নিজৰ পৰিয়ালৰ ওচৰত নিৰ্মালীয়ে প্ৰতিবাদ কৰিব নোৱাৰিলে। কলেজত অন্য ছোৱালীৰ মনৰ দ্বিধা আৰু ভয় দেখি “Hesitation, thy name is middle class” —বুলি বিদ্ৰূপ কৰা নিৰ্মালীয়ে নিজৰ জীৱনত তাকেই আকৌ এবাৰ ভালকৈ প্ৰমাণ কৰিলে। কলেজীয়া জীৱনত প্ৰকাশৰ সৈতে কল্পনা কৰা অগতানুগতিক জীৱন-যাত্ৰাৰ কথা ভাবি ৰোমাঞ্চিত হৈ উঠা নিৰ্মালী প্ৰকৃত সময়ত কিন্তু থমকি ৰ’ল। যি মনোবল লৈ এদিন তেওঁ মনে মনে গৰ্ব কৰিছিল যে পুৰণি সকলো কু-সংস্কাৰ ভাঙি-ছিঙি নতুন পথত নিজৰ যুগ্ম জীৱন আৰম্ভ কৰিব, সেই বৈপ্লৱিক মনোবৃত্তি তেতিয়া ক’ৰবাত লুকাই গ’ল। আৱৰ্জনাৰে ভৰা হ’লেও সহজ পথ এৰি আন বাট লোৱাৰ বিষয়ে সেই সময়ত নিৰ্মালীয়ে ভাবিবই নোৱাৰিলে। নতুন সংসাৰৰ সকলো ক্ষেত্ৰতেই দেখিবলৈ পোৱা দৈন্যই নিৰ্মালীৰ জীৱন ৰিক্ত কৰি তুলিলে। তেওঁ নিজৰ ওপৰতেই ভীষণ প্ৰতিশোধ ল’লে, নিজৰ অকাল মৃত্যুৰ দণ্ডাজ্ঞাত চহী কৰাৰ বাবে, প্ৰকাশক জীৱনত দিয়া আঘাতৰ বাবে নিৰ্মালীয়ে প্ৰতিজ্ঞা কৰিলে তেওঁ নিজৰ প্ৰতিভা আৰু ব্যক্তিত্বক অকাতৰে বলিদান দিব আৰু এৰি থৈ অহা তেওঁৰ কলেজীয়া জীৱনৰ প্ৰত্যেক আপোনজনৰপৰা স্বেচ্ছাই নিৰ্বাসন ল’ব।

নাৰী জীৱনৰ ব্যথা ফুটি উঠা এইগৰাকী লেখিকাৰ আন দুটা গল্প হৈছে— ‘ঢেঁকীৰ সৰগ’ আৰু ‘পেহীদেউ’। এই দুয়োটা গল্পতে বিশেষ পঢ়া-শুনা নথকা ঘৰৰ কাম কাজত অতি নিপুণ দুজনী ছোৱালীৰ মৰ্মব্যথা প্ৰকাশ পাইছে। মাক নাইকিয়া এই শ্ৰেণীৰ ছোৱালীবোৰৰ পিতৃগৃহত সময় পাৰ হয় দাদা-বৌৱেক আৰু ভতিজাহঁতৰ আলপৈচান ধৰাত। বিয়াৰ পিছৰ পৰ্যায়তো পতিগৃহত সেই একেই আমনিকৰ ঘৰৰ কাম-কাজ, আনৰ আলপৈচান ধৰাতেই এই নতুন জীৱনটো ক্ৰমে তেনেই গতানুগতিক আৰু বিৰক্তিৰ হৈ পৰে। পিতৃগৃহৰ অৱহেলিত এওঁলোক পতিগৃহতো একেই অৱহেলাৰে পাত্ৰী হয়গৈ।

নিৰুপমা বৰগোহাঞিৰ কিছুসংখ্যক গল্পৰ আন এটা চকুত পৰা বৈশিষ্ট্য হ’ল যে গল্পৰ কাহিনীয়ে চিঠিৰ মাজেৰে আত্মপ্ৰকাশ কৰে। ‘অপমৃত্যু’, ‘ঢেঁকীৰ সৰগ’, ‘পেহীদেউ’ আদি গল্পৰ ক্ষেত্ৰত এইটো বৈশিষ্ট্য পৰিলক্ষিত হোৱা দেখা যায়।

‘ৰামধেনু’ত প্ৰকাশিত এইগৰাকী লেখিকাৰ আন এটি গল্প ‘অযোগ্যতা’ৰ কাহিনীটোকে আকৌ পৰৱৰ্তী সংখ্যাত ‘জীৱন জীয়াই থাকে’ নামেৰে দ্বিতীয় খণ্ড হিচাপে লিখা হৈছে। এইটোও নাৰীৰ দৈনন্দিন জীৱনৰ সাংসাৰিক সমস্যাৰ ওপৰত ভিত্তি কৰি লিখা গল্প। নিৰ্বিকাৰ স্বামী, এজাক ল’ৰা-ছোৱালীৰে সংসাৰৰ জ্বালা-যন্ত্ৰণাত অস্থিৰ হৈ পৰা ৰুগ্না বিনুক নতুন এখন ঠাইলৈ গৈ সহজ হোৱাত সহায় কৰিবলৈ গৈছিল ভনীয়েক ৰাণু। বায়েকক কিছু উপশম দিয়াৰ মানসেৰে কেইদিনমানৰ বাবে সহায়ৰ হাত আগবঢ়োৱা ৰাণুৱে কামৰ ব্যস্ততাৰ মাজতো প্ৰায়েই নিজৰ অতীতৰ কথা মনত পেলায়। বিনুৱেই দেওৰেক সুনীলৰ লগত কলিকতাত পঢ়ি থকা অৱস্থাত ৰাণুৰ এক

আন্তৰিক সম্পৰ্ক গঢ় লৈ উঠিছিল যদিও পাছত তাইৰ অনিচ্ছাত সেই সম্পৰ্কৰ সিমানতে ইতি পৰে। ঘটনাক্ৰমে ৰাণুৰ জীৱনলৈ আকৌ এবাৰ আহে সুনীল। বায়েকৰ ঘৰত থাকোঁতেই তালৈ সুনীলৰো আগমন ঘটে। আকৌ এবাৰ ৰাণুৰ স্বাভাৱিক জীৱন যাত্ৰাত আউল লাগি যায়। সুনীলে আগবঢ়োৱা নতুন প্ৰস্তাৱত ৰাণু সুখী হয়। গল্পটোৰ শেষত নিস্তেজ বিনুৰ মুখতো ইচ্ছা-আশা-হেঁপাহৰ আভাস দিয়া হৈছে।

নিৰুপমা বৰগোহাঞিৰ ৰচনাৰ বিষয়বস্তু নাৰীকেন্দ্ৰিক আৰু নাৰীমুক্তিৰ প্ৰয়াসী যদিও এই নাৰীবাদ একাকাৰ হৈ পৰিছে বহল মানৱতাবোধৰ মাজত। প্ৰকৃততে মানৱতাৰ ঘোষণাহে তেওঁৰ গল্পৰ উদ্দেশ্য। লেখিকাই নিজেই কৈ থৈছে— "অৰ্ধনাৰীসকলৰ অংগ ছেদন কৰি পুৰুষ আৰু নাৰীক ভাগ কৰি চাবলৈ মোৰ সমূলি প্ৰবৃত্তি নহয়। বহুত দিন আগতে এখন বঙালী চিনেমা 'কাৰগিলৰ লড়াই'ত শুনা এই কথাফাঁকিয়ে মোৰ বাবে ধ্ৰুৱ সত্য— 'তুমি দেখো নাৰী পুৰুষ; আমি দেখি শুধুই মানুষ'; কিন্তু কি কৰিম, এতিয়া প্ৰচলিত আমাৰ সামন্তযুগীয় সমাজ-ব্যৱস্থাই যে মোকো মাজে মাজে নাৰী-পুৰুষক বেলেগ বেলেগকৈ চাবলৈ বাধ্য কৰায়।" (ব্যক্তিগত সাক্ষাৎকাৰ)।

— লেখিকাৰ এই নাৰীবাদ পুৰুষ বিদ্বেষী নহয়, বৰঞ্চ নাৰীমুক্তিৰ যুঁজত তেওঁ পুৰুষক সহযাত্ৰী হিচাপে গণ্য কৰে। সমাজৰ দুৰ্বল অৱহেলিত শ্ৰেণীটোৰ প্ৰতিনিধি হিচাপে নাৰীক লৈ তেওঁলোকৰ উদ্ধাৰৰ হকে এইগৰাকী মানৱতাবাদী লেখিকাই কলম তুলি লৈছে।

**নীলিমা শৰ্মা ঃ**

মানৱীয় অনুভূতিক হৃদয়স্পৰ্শী প্ৰকাশেৰে গল্পত উপস্থাপন কৰা এগৰাকী বিশিষ্ট গল্পকাৰ নীলিমা শৰ্মাৰ আত্মপ্ৰকাশ 'ৰামধেনু'ৰ পাততেই ঘটিছে। নীলিমা শৰ্মাৰ গল্পৰ আৰম্ভণিৰ আকস্মিকতা, কাহিনীৰ উৎকণ্ঠা আৰু সামৰণিৰ নাটকীয়তাই তেওঁৰ গল্পক সফল ৰূপত প্ৰতিষ্ঠা কৰিছে। নাৰী চৰিত্ৰৰ সূক্ষ্ম মনস্তাত্বিক বিশ্লেষণৰ ক্ষেত্ৰতো এইগৰাকী গল্পকাৰে বিশেষ দক্ষতাৰ পৰিচয় দিছে।

নীলিমা শৰ্মাৰ ৰামধেনুত প্ৰকাশিত এটি সুখপাঠ্য গল্প 'অন্যসূঁতি'। ইয়াত এজনী ছোৱালী মিনুৰ বয়ঃসন্ধিৰ সময়ছোৱা, তাৰ ফলস্বৰূপে তাইৰ জীৱনলৈ অহা পৰিৱৰ্তন আৰু এক অভাৱনীয় তথা অপ্ৰত্যাশিত ঘটনাক্ৰমে স্কুলীয়া বান্ধৱী জবাৰ এসময়ৰ প্ৰেমাস্পদ সুনীল ভাগৱতীৰ বাগদত্তা হ'বলগীয়া হোৱা ঘটনাৰ ৰুদ্ধশ্বাস চেতনাক মনস্তাত্বিক চিন্তাধাৰাৰে বিশ্লেষণ কৰা হৈছে। অন্য এটি গল্প 'ওৰণি নালাগে গুচাব'ৰ নামকৰণত লুকাই থকা অৰ্থৱহ ব্যঞ্জনাই সৌন্দৰ্য দুগুণে বৃদ্ধি কৰিছে।

ইয়াত নায়িকা কাবেৰীৰ মানসিক বিকাৰগ্ৰস্ততাক প্ৰত্যয়জনক ৰূপত প্ৰতিষ্ঠিত কৰা হৈছে। অতি আচম্বিতে আৰু আকস্মিকভাৱে স্বামীক হেৰুৱাই বিধৱা হৈ পৰা কাবেৰীক শহুৰৰ ঘৰৰ মানুহখিনিয়ে বৰকৈ অত্যাচাৰ কৰিবলৈ লোৱাত এসময়ত তেওঁ মানসিক ভাৰসাম্য হেৰুৱাই পেলায়। ডাক্তৰ উদ্ধৱ বৰুৱা আৰু চন্দ্ৰমা কটকীৰ চিকিৎসাত মানসিক চিকিৎসালয়ত ভৰ্তি হোৱা কাবেৰী পুনৰ লাহে লাহে সুস্থ হৈ উঠে; পিছে এই সুস্থতাই কাবেৰীক বিপদতহে পেলালে; কাৰণ অসুস্থ হৈ থাকোঁতে তেওঁ নিজৰ দুখ, তিক্ততাৰে পূৰ্ণ অতীতটোক পাহৰি থাকিব পাৰিছিল; কিন্তু এতিয়া তেওঁ কি কৰি জীয়াই থাকিব? উন্মাদনাৰ ওৰণিৰে অতদিনে অতীতক ঢাকি থোৱাটোৱেই প্ৰকৃততে তেওঁৰ পক্ষে মংগলজনক আছিল। এই ঘটনাটোকে গল্পত মনঃসমীক্ষাত্মক তত্ত্বৰে বিশ্লেষণ কৰি দেখুওৱা মনস্তাত্বিক ব্যাখ্যা ৰসোত্তীৰ্ণ হৈ উঠিছে। সেইদৰে 'ৰামধেনু'ত প্ৰকাশিত 'আৱৰণ' গল্পটোৰ জৰিয়তেও এইগৰাকী লেখিকাৰ মনঃসমীক্ষাত্মক দৃষ্টিভংগী পোহৰলৈ আহিছে।

নীলিমা শৰ্মাৰ গল্পৰ চৰিত্ৰবোৰৰ ক্ষেত্ৰত দেখা যায় তেওঁৰ গল্পৰ নায়ক-নায়িকাই সাধাৰণতে শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ প্ৰতিনিধিত্ব কৰে। বহু নায়ক কলেজৰ অধ্যাপক আৰু নায়িকাসকল স্কুল-কলেজৰ ছাত্ৰী, নহ'লে শিক্ষয়িত্ৰী আৰু কেতিয়াবা নায়ক-নায়িকা উভয়েই চিকিৎসক। মানুহৰ মনৰ বিচিত্ৰতা সময়ৰ লগে লগে হোৱা সহজ পৰিৱৰ্তনৰ সুন্দৰ চিত্ৰ এইগৰাকী গল্পকাৰে তেওঁৰ 'সময়ৰ সংলাপ'ত ফুটাই তুলিছে।

মানুহৰ অভ্যন্তৰ জগতখনৰ সূক্ষ্ম বিশ্লেষণৰ দক্ষতা থকা লেখিকা নীলিমা শৰ্মাৰ অন্য এটি গল্প 'গোসাঁনী'ত নাৰীৰ মনৰ ভিতৰত আত্মগোপন কৰি থকা কেতবোৰ অশুভ দিশক মনস্তাত্বিক দৃষ্টিভংগীৰে প্ৰকাশ কৰিবলৈ যত্ন কৰা হৈছে। নাৰী মনস্তত্ত্ব বিশ্লেষণৰ মাজেৰে এইগৰাকী গল্পকাৰে শিশু মনস্তত্ত্বৰ ওপৰতো দৃষ্টিপাত কৰিছে। 'ৰামধেনু'ত এনে ধৰণৰ শিশু মনস্তত্ত্বৰ ওপৰত ভিত্তি কৰি লেখা গল্পৰ সংখ্যা তেনেই তাকৰ। নীলিমা শৰ্মাৰ 'সেতুবন্ধন' এই প্ৰসংগত উল্লেখযোগ্য।

**প্ৰবীণা শইকীয়া আৰু অণিমা দত্ত ঃ**

'ৰামধেনু'ৰ শেষৰফালে আত্মপ্ৰকাশ কৰা দুগৰাকী বিশিষ্ট গল্প-লেখিকা অণিমা দত্ত (ভৰালী) আৰু প্ৰবীণা শইকীয়া। এই দুয়োগৰাকী গল্পকাৰৰে গল্পত একোটা কাহিনী কথনৰ ওপৰত গুৰুত্ব দিয়া পৰিলক্ষিত হয়। একোটা নিটোল কাহিনী থকা তেওঁলোকৰ গল্পত ভাৰৰ ঐক্য অক্ষুণ্ণ থাকে। এটা মাথোন কেন্দ্ৰীয় ভাৱক অৱলম্বন হিচাপে লৈ কাহিনী আগবঢ়াই নিওঁতে ভাববস্তুৰ ঐক্য বিনষ্ট হোৱা দেখা নাযায়। নাটকীয় পৰিস্থিতিৰ সৃষ্টি কৰি কাহিনী নিৰ্মাণ কৰিব পৰা সৃষ্টি ক্ষমতাৰ বাবেই প্ৰবীণা শইকীয়াৰ গল্পৰ কাহিনীয়ে পাঠকক আকৰ্ষণ কৰে। চুটিগল্পৰ সাফল্যৰ বাবে অতি প্ৰয়োজনীয় গুণ গল্পৰ পৰিণতিমুখী উৎকণ্ঠা সৃষ্টিৰ এইক্ষেত্ৰত দুয়োগৰাকী লেখিকাৰ সচেতন মনৰ পৰিচয় পোৱা যায় তেওঁলোকৰ গল্পবোৰৰ জৰিয়তে। গল্পৰ কাহিনীৰ এক পৰিণতিমুখী উৎকণ্ঠা অব্যাহত ৰাখিব পৰাটোতো গল্পকাৰ দুগৰাকীৰ দক্ষতাৰ প্ৰমাণ আছে। তদুপৰি এই দুগৰাকী লেখিকাৰ সাদৃশ্য থকা আন এটা বৈশিষ্ট্য হ'ল চৰিত্ৰৰ গভীৰতালৈ প্ৰৱেশ কৰি পাঠকক চৰিত্ৰৰ মনৰ জগতখনৰ সম্ভেদ দিবলৈ কৰা প্ৰয়াস।

বাস্তৱবাদী দৃষ্টিভংগীৰে গল্প লিখি অণিমা দত্তৰ 'ৰামধেনু'ৰ পাতত প্ৰকাশিত এটা সাৰ্থক গল্প 'অস্ত আকাশ'। ইয়াত পৰিস্থিতিৰ হাতত নিৰ্মমভাৱে প্ৰতাৰিত হোৱা এজনী ছোৱালী বনজাৰ স্বপ্নভংগৰ বতৰা আছে।

'অৱশ্যম্ভাৱী' অণিমা দত্তৰ আন এটা গল্প। ইয়াত গাঁৱলৈ ডাক্তৰ হিচাপে যোৱা ৰাজীৱৰ সৈতে ঘৰৰ ছোৱালী চম্পাকলিয়ে একপক্ষীয়ভাৱে প্ৰেম গঢ়ি তোলে আৰু তাইৰ ঘৰখনেও তাইৰ এই প্ৰচেষ্টাত সঁহাৰি জনায়। অৱশেষত এদিন ৰাজীৱৰ প্ৰেমিকাৰ ফটো এখন দেখি চম্পাকলিৰ ভুল ভাগে আৰু ৰাজীৱেও সোনকালে তাৰ বিয়াৰ বন্দোৱস্ত কৰিবলৈ তাৰ মাকলৈ বুলি চিঠি লিখে।

এই দুয়োটা গল্পতে গল্পকাৰে অণিমা দত্তই বাস্তৱ জীৱনৰ পটভূমিত কাহিনী ভাগ আগবঢ়াই লৈ গৈছে। কাহিনীত গুৰুত্ব দিয়া হৈছে যদিও এটা মাথোন কেন্দ্ৰীয় ভাবকে অৱলম্বন হিচাপে লোৱা হেতুকে গল্পৰ ভাববস্তুৰ ঐক্য ক'তো ক্ষুণ্ণ হোৱা নাই। ইয়াত প্ৰকাশ পোৱা প্ৰেম-প্ৰণয়ৰ চিত্ৰখন বাস্তৱসন্মত। সাধৰণ মানুহৰ দৈনন্দিন জীৱনৰ এটা অংগ হিচাপে ইয়াত প্ৰেমক প্ৰতিষ্ঠা কৰা হৈছে। দুয়োটা গল্পতে লেখিকাই গল্পৰ উৎকণ্ঠা আৰু পৰিণতিমুখী ঐক্যক অত্যন্ত সফলতাৰে ৰক্ষা কৰিব পাৰিছে আৰু ইয়াতে লেখিকাৰ দক্ষতা ফুটি উঠিছে।

প্ৰবীণা শইকীয়াৰ 'ৰামধেনু'ৰ পাতত প্ৰকাশিত এটা বিখ্যাত গল্প হৈছে 'কৰৱ কাহেৰি সাৰ' ইয়াত স্বাজোত্তৰ কালত বিস্তৃতি লাভ কৰিব ধৰা ভ্ৰষ্টাচাৰৰ শ্লেষাত্মক ছবি অংকিত হৈছে। তাৰ লগতে গল্পকাৰে কিদৰে সন্দেহৰ বীজে মগজুত বাহ লোৱাৰ পিছত হিতাহিত জ্ঞানশূন্য হৈ পৰি উন্মাদপ্ৰায় হৈ নায়িকাই নিজৰ ক্ষতি কৰিছে— তাৰ মনস্তাত্বিক আৰু বাস্তৱসন্মত বিৱৰণ দাঙি ধৰিছে।

**ৰুণু বৰুৱা, বাসন্তী বৰুৱা আৰু আলিমুন্নিছা পিয়াৰ ঃ**

ৰুণু বৰুৱা, বাসন্তী বৰুৱা আৰু অলিমুন্নিছা পিয়াৰ— 'ৰামধেনু'ৰ পাতত গল্প লিখি জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হোৱা অন্য তিনিগৰাকী গল্পকাৰ। ৰুণু বৰুৱাৰ গল্পত সাধাৰণতে নাৰীৰ মনোজগতৰ ভিতৰলৈ প্ৰৱেশ কৰাৰ প্ৰযত্ন পৰিলক্ষিত হয়। মানৱীয় চেতনা আৰু আদৰ্শৰ প্ৰতি থকা পৰকাষ্ঠাই তেওঁৰ গল্পবোৰত সততে ক্ৰিয়া কৰে। লেখিকাৰ গল্পৰ চৰিত্ৰবোৰ সজীৱ আৰু সক্ৰিয়। বিষয়বস্তুৰ বৰ্ণনাতো তেওঁ সংযমৰ পৰিচয় দিছে। কাহিনীৰ গাঁথনিও আটিল। অনাৱশ্যক বৰ্ণনাই তেওঁৰ গল্প ভাৰাক্ৰান্ত কৰি নোতোলে। এটি কেন্দ্ৰীয় ভাবে ক্ৰিয়া কৰাৰ বাবে তেওঁ গল্পবোৰ পৰিণতিমুখী উৎকণ্ঠা ৰক্ষাৰ ক্ষেত্ৰতো সফল হৈছে বুলি ক'ব পাৰি।

'মহীয়সী' আৰু 'পৰিচয়' ৰুণু বৰুৱাৰ দুটা উল্লেখযোগ্য গল্প। এই দুয়োটাতে নাৰীমনৰ বিচিত্ৰতাক দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে। 'পৰিচয়' গল্পটোত চাৰিত্ৰিক বৈশিষ্ট্যৰ প্ৰকাশত লেখিকা সফল হৈছে। গল্পৰ আৰম্ভণিৰ উৎকণ্ঠা শেষলৈকে অব্যাহত আছে। কথাবস্তুৰ বৰ্ণনাতো লেখিকাই সংযমৰ পৰিচয় দিব পাৰিছে, সেইদৰে পান্নাৰ চৰিত্ৰাংকনতো দক্ষতাৰ প্ৰমাণ দিছে। পান্নাক আশ্ৰয় দিয়া খাছিয়া পৰিয়ালটোৰ মানৱতাবোধ সমগ্ৰ গল্পটোত অন্তৰ্নিহিত হৈ আছে। 'মহীয়সী' ৰুণু বৰুৱাৰ আন এটা গল্প। ইয়াত জন জাহাবৰ পত্নী বনুৱা ছোৱালী সৰলাই সতিনীয়েক ষ্টেলাৰ বুকুৰপৰা নিজৰ পুত্ৰ ৰবাৰ্টক আঁজুৰি আনিবলৈ গৈও শেষ মুহূৰ্তত মাতৃৰ মমতাক পৰিহাৰ কৰিছে আৰু ৰবাৰ্টৰ ভৱিষ্যতৰ চিন্তাত পুত্ৰস্নেহক আওকাণ কৰিছে, বাগানৰ মেনেজাৰ জন চাহাব আৰু এখন সাধাৰণ বাগানৰ স্কুলত কাম কৰা শিক্ষয়িত্ৰীৰ মাজত আকাশ-পাতালৰ পাৰ্থক্য। সেয়েহে পুত্ৰস্নেহক অস্বীকাৰ কৰি সৰলা একাকাৰ হৈ পৰিছে

নিজৰ পুত্ৰসম অন্য ছাত্ৰসকলৰ মংগল চিন্তাত।

'ৰামধেনু'ৰ পাতত আত্মপ্ৰকাশ কৰা আনগৰাকী লেখিকা বাসন্তী বৰুৱাৰ গল্পৰ বিষয়বস্তু হ'ল মানুহৰ বিচিত্ৰ মানসিকতাৰ বিচাৰ-বিশ্লেষণ। 'ৰামধেনু'ত প্ৰকাশিত বৃদ্ধ বয়সৰ মনস্তত্ত্ব প্ৰকাশত সাৰ্থক গল্প হিচাপে বৰুৱাৰ 'সম্ৰাট' গল্পটো বিশেষভাৱে উল্লেখযোগ্য।

বৃদ্ধ বয়সৰ মনস্তত্ত্বক লৈ ভালেমান গল্প লিখা হৈছে যদিও সাধাৰণতে দেখা যায় সেইবোৰ গল্পত প্ৰকাশিত বৃদ্ধৰ নিঃসংগ চেতনাত জীৱন সম্পৰ্কে নেতিবাচক দৃষ্টিভংগী আৰু বিষাদবোধেহে ক্ৰিয়া কৰে। এইক্ষেত্ৰত বাসন্তী বৰুৱাৰ এই গল্পটো এক মধুৰ ব্যতিক্ৰম। ইয়াত বৃদ্ধৰ নিঃসংগ চেতনাক ইতিবাচক দৃষ্টিৰে পাৰিবাৰিক মৰম, স্নেহ আৰু সহৃদয়তাৰে উপশম কৰা হৈছে। মানুহৰ মনোজগতৰ মৌলিক অনুভূতিপ্ৰকাশক বাসন্তী বৰুৱাৰ আন এটা সাৰ্থক গল্প হৈছে 'ভগ্নী'।

'ৰামধেনু যুগ'ৰ অন্যতম গল্পকাৰ আলিমুন্নিছা পিয়াৰৰ 'ৰামধেনু'ত প্ৰকাশিত অৰ্থবহ নামকৰণেৰে ব্যঞ্জিত এটা ভাল গল্প 'কুঁহিলা'। ইয়াত গল্পৰ নায়িকা মীৰাৰ জীৱন বৰশীৰ বটীয়াত বান্ধি দিয়া কুঁহিলাৰ পুঙাসদৃশ। এনে অৰ্থময়তাৰে এটা সাধাৰণ কাহিনীক গল্পৰ ৰূপ দিব পৰাতেই লেখিকাৰ সাফল্য পৰিস্ফুট হৈছে।

**মামণি ৰয়চম গোস্বামী ঃ**

যশস্বী কথাশিল্পী মামণি ৰয়চম গোস্বামীয়ে 'ৰামধেনু'ৰ শেষৰ স্তৰত গল্পকাৰ হিচাপে আত্মপ্ৰকাশ কৰে। 'ৰামধেনু'ত প্ৰকাশিত হোৱা এইগৰাকী লেখিকাৰ গল্প মাত্ৰ এটিয়েই— 'বীজাণু'। বলিষ্ঠ ৰচনাভংগী, গভীৰ মানৱতাবোধ, দুৰ্বল পীড়িতজনৰ প্ৰতি অন্তৰভৰা সহানুভূতিৰে তেওঁৰ গল্পবোৰ সমুজ্জ্বল। মানুহৰ বিশেষকৈ নাৰীৰ অৱদমিত মৌলিক প্ৰবৃত্তিবোৰৰ বাস্তৱসন্মত আৱিষ্কাৰৰ প্ৰচেষ্টা তেওঁৰ গল্পৰ অন্যতম বৈশিষ্ট্য। বিষয়বস্তুৰ মনোগ্ৰাহী উপস্থাপন, জীৱনবোধ, মননশীলতা, সংবেদনশীলতা আৰু বাস্তৱধৰ্মিতাই তেওঁৰ গল্পক আকৰ্ষণীয় কৰি তোলে। 'বীজাণু' গল্পটোত কিশোৰী আইমানোৰ ঘৰৰে পুৰণি বিশ্বাসী লগুৱা তথা তাইৰো শৈশৱৰ লগৰীয়া শ্ৰীগুৰুৰ প্ৰতি থকা অকৃত্ৰিম আন্তৰিক মৰম আৰু সহানুভূতিৰ বৰ্ণনা আছে— যিখিনি শ্ৰীগুৰুৰ নৈতিক স্খলনতো অপৰিৱৰ্তিত হৈয়েই ৰৈছে, বৰঞ্চ গভীৰ সহানুভূতিয়ে পূৰ্বতকৈ বেছিকৈহে আইমানোৰ হৃদয় অধিকাৰ কৰি পেলাইছে।

**২.০.০ সিদ্ধান্ত ঃ**

এই আলোচনাৰপৰা দেখা গ'ল যে 'ৰামধেনু যুগ'ত মহিলা গল্পকাৰৰ যথেষ্টসংখ্যক গল্প প্ৰকাশ হৈছিল। এই আলোচনাৰ অন্তত আমি কেইটামান সিদ্ধান্তলৈ আহিব পাৰোঁ—

(১) 'ৰামধেনু'ৰ মহিলা গল্পকাৰসকলৰ অসমীয়া গল্প সাহিত্যৰ ক্ষেত্ৰখনলৈ অৱদান লেখত ল'বলগীয়া।

(২) স্নেহ দেৱী, নিৰুপমা বৰগোহাঞি বা মামণি ৰয়চম গোস্বামীৰ দৰে চৰ্চিত নহয় যদিও প্ৰবীণা শইকীয়া, অণিমা দত্ত, নীলিমা শৰ্মা, ৰুণু বৰুৱা, বাসন্তী বৰুৱা, আলিমুন্নিছা পিয়াৰো একোগৰাকী সাৰ্থক গল্পকাৰ।

(৩) কমলিনী বৰবৰা 'ৰামধেনু'ৰ প্ৰথমগৰাকী মহিলা গল্পকাৰ। তেওঁ ৰামধেনু'ত তিনিটা গল্প লিখিছিল— 'টিনপাত', 'পূজাৰ চোলা' আৰু 'মৃত্যু'।

(৪) এইসকল গল্পকাৰৰ গল্পত নাৰী মনস্তত্ত্বৰ সাৰ্থক প্ৰতিফলন ঘটিছে। স্নেহ দেৱীৰ 'সূচনা', প্ৰবীণা শইকীয়াৰ 'কৰব কাহেৰি সাৰ', নীলিমা শৰ্মাৰ 'গোসাঁনী','আৱৰণ', আলিমুন্নিছা পিয়াৰৰ 'কুঁহিলা'ৰ নাম এই প্ৰসংগত উল্লেখযোগ্য।

(৫) পুৰুষৰ মানসিক জগতখন, শিশু মনস্তত্ত্বৰ লগতে বৃদ্ধ মনস্তত্ত্বৰো সাৰ্থক বিশ্লেষণ তেওঁলোকৰ গল্পত আছে। স্নেহ দেৱীৰ 'বিপত্তি', নীলিমা শৰ্মাৰ 'সেতুবন্ধন', বাসন্তী বৰুৱাৰ 'সম্ৰাট' এই প্ৰসংগত আনিব পাৰি।

**৩.০.০ উপসংহাৰ ঃ**

'ৰামধেনু যুগৰ মহিলা গল্পকাৰ' শীৰ্ষক বিষয়টোৰ বিস্তৃতি আৰু গভীৰতা অত্যন্ত ব্যাপক। এই সম্পৰ্কে গৱেষণা-ক্ষেত্ৰ এখন মুকলি হৈ আছে। 'ৰামধেনু যুগ'ৰ সকলোখিনি গল্পকে এই আলোচনাৰ আওতালৈ আনিব পৰা নগ'ল। ক্ষুদ্ৰ পৰিসৰৰ এখন আলোচনা-পত্ৰত ইয়াৰ সামগ্ৰিক আলোচনা সম্ভৱপৰো নহয়। ভৱিষ্যতে এই বিষয়ে পূৰ্ণাংগ ৰূপত অধ্যয়ন কৰাৰ পৰ্যাপ্ত থল আছে। নতুন পঢ়ুৱৈ, ছাত্ৰ-ছাত্ৰী, গৱেষকসকলে এই সম্পৰ্কে নতুন নতুন চিন্তা-চৰ্চাৰে বিচাৰ-বিশ্লেষণ কৰিবলৈ আগ্ৰহী হোৱাৰ আৱশ্যকতা আছে। গৌৰৱোজ্জ্বল শতবৰ্ষ অতিক্ৰম কৰা অসমীয়া গল্প সাহিত্যৰ

আধুনিক ধাৰাটোক সমৃদ্ধ কৰাৰ ক্ষেত্ৰত ই এক সময়োচিত পদক্ষেপ হ'ব বুলি বিবেচনা কৰিব পাৰি।

**প্ৰসংগ-সূত্ৰ ঃ**

১। শইকীয়া, অন্নদা (সম্পাদিত)। পাতনি ঃ স্নেহ দেৱী ৰচনা সম্ভাৰ, প্ৰথম প্ৰকাশ, ২০০১

২। গোস্বামী, ত্ৰৈলোক্য নাথ। আধুনিক গল্প সাহিত্য, তৃতীয় প্ৰকাশ, ৰাণী প্ৰকাশ, ১৯৮৭

**প্ৰসংগ গ্ৰন্থ ঃ**

ঠাকুৰ, প্ৰাপ্তি। *ৰামধেনুৰ চুটিগল্প ঃ বিচাৰ আৰু বিশ্লেষণ*। গুৱাহাটী ঃ ভৱানী বুক্ছ, ২০১২। মুদ্ৰিত।

বৰা, অপূৰ্ব। *অসমীয়া চুটিগল্প ঃ ঐতিহ্য আৰু বিবৰ্তন*। যোৰহাট ঃ যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয় প্ৰকাশন কোষ, ২০১২। মুদ্ৰিত।

বৰুৱা, প্ৰহলাদ কুমাৰ। *অসমীয়া চুটিগল্প অধ্যয়ন*। ডিব্ৰুগড় ঃ বনলতা, ১৯৯৫। মুদ্ৰিত।